অসম

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ নির্মাণৰত ভৱনৰ পৰা পৰি গুৰুতৰভাৱে আহত শ্রমিক

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত নিশা নির্মাণৰত পাঁচ মহলীয়া অট্টালিকাৰ পৰা পিছলি পৰি লাল মিঞা নামৰ এজন শ্রমিক গুৰুতৰভাৱে আহত হয়।

প্রকাশ: ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৪



Worker injured after fall at North Guwahati College (NewzNow)

উত্তৰ গুৱাহাটী: উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত নিশা এক শিহৰণকাৰী ঘটনা সংঘটিত হয়। মহাবিদ্যালয়খনৰ এটা নির্মাণৰত পাঁচ মহলীয়া অট্টালিকাৰ পৰা তললৈ সৰি পৰি এজন শ্রমিক গুৰুতৰভাৱে আহত হয়।

আহত শ্রমিকজনক লাল মিঞা বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, নিশাৰ এক্ষাৰত অট্টালিকাটোত কাম কৰি থকাৰ সময়তে তেওঁ পিছলি তলত পৰে। লগে লগে তেওঁক সংকটজনক অৱস্থাত উত্তৰ গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত ভর্তি কৰোৱা হয়। বর্তমান তেওঁ চিকিৎসালয়খনতে চিকিৎসাধীন হৈ আছে।

স্থানীয় ৰাইজে অভিযোগ কৰা মতে, মহাবিদ্যালয়খনৰ উক্ত নির্মাণৰত অট্টালিকাত শ্রমিকসকলে অতি অসুৰক্ষিতভাৱে কাম কৰি আছিল। কোনো ধৰণৰ সুৰক্ষাৰ ব্যৱস্থা নোহোৱাকৈয়ে নিশাৰ এক্ষাৰতো শ্রমিকসকলৰ

দ্বাৰা কাম কৰোৱা হৈছিল।

আনহাতে, মহাবিদ্যালয়খনৰ কর্মচাৰীয়ে শ্রম আইন উলংঘা কৰি অট্টালিকাটোৰ নির্মাণৰ ঠিকা লৈছিল বুলিও গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাক লৈ অঞ্চলটোত তীব্র চাঞ্চল্যৰ সৃষ্টি হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5246/north-guwahati-college-construction-worker-injured